জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ১৯৪/২০২০

ৰাজ্যখনৰ গাঁওবুঢ়া আৰু চাহ বাগিচাৰ চৰ্দাৰসকলৰ সৈতে 'অ'ডিঅ' কনফাৰেঞ্চ'যোগে কথা পাতিলে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে

# গাঁও আৰু চাহ বাগিচাসমূহত সামাজিক দূৰত্ব বৰ্তাই ৰখা আৰু চৰকাৰী সাহায্য উপযুক্ত ৰূপত বিতৰণ সুনিশ্চিত কৰাৰ দিশত চকু দিবলৈ গাঁওবুঢ়া আৰু চৰ্দাৰসকলক আহ্বান মুখ্যমন্ত্ৰীৰ

**দিছপুৰ, ২১ এপ্ৰিলঃ** মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি ৰাজ্যখনৰ গাঁওবুঢ়া আৰু চাহ বাগিচাৰ চৰ্দাৰসকলৰ সৈতে 'অ'ডিঅ' কনফাৰেঞ্চ'যোগে বাৰ্তালাপত মিলিত হয়। ক'ভিদ-১৯ৰ সংক্ৰমণ ৰোধৰ বাবে কেন্দ্ৰীয় চৰকাৰে ঘোষণা কৰা ৰাষ্ট্ৰজোৰা লকডাউন কাৰ্যসূচী সফলতাৰে কাৰ্যকৰী কৰাৰ ক্ষেত্ৰত আগবঢ়োৱা সহযোগিতাৰ বাবে তেওঁলোকক ধন্যবাদ জ্ঞাপন কৰি মুখ্যমন্ত্ৰীয়ে লকডাউনৰ পৰৱৰ্তী দিনকেইটাতো নিজ নিজ এলেকাৰ ৰাইজক এইদিশত সজাগ আৰু সচেতন কৰি তোলাৰ বাবে পদক্ষেপ অব্যাহত ৰাখিবলৈ তেওঁলোকক আহ্বান জনায়।

গাঁওবুঢ়াসকলৰ সৈতে বাৰ্তালাপৰ সময়ত মুখ্যমন্ত্ৰীয়ে কয় যে কেন্দ্ৰীয় চৰকাৰৰ গাইডলাইন অনুসৰি অসম চৰকাৰে সম্প্ৰতি সামাজিক দূৰত্ব বজাই ৰাখি ৰাজ্যখনত কৃষিকাৰ্য মুকলি কৰাৰ দিহা কৰিছে। গাঁৱৰ কৃষকসকলে যাতে খেতিপথাৰত নমাৰ সময়ত চৰকাৰে জাৰি কৰা স্বাস্থ্যসন্মত বিধি-বিধানসমূহ সম্পূৰ্ণৰূপে মানি চলে সেই দিশত চকু ৰাখিবলৈ মুখ্যমন্ত্ৰীয়ে গাওঁবুঢ়াসকলক আহ্বান জনায়। গাঁওসমূহত ৰাইজে যাতে সামাজিক দূৰত্ব আৰু লকডাউনৰ নীতি-নিয়মবোৰ সুচাৰুৰূপে মানি চলে আৰু গাঁৱৰ প্ৰতিগৰাকী দুখীয়া লোকেই যাতে প্ৰয়োজনীয় সাহায্য তথা আঁচনিৰ সা-সুবিধা লাভ কৰে, সেয়া সুনিশ্চিত কৰিবলৈও তেওঁ গাঁওবুঢ়াসকলক আহ্বান জনায়।

চাহ বাগিচাৰ চৰ্দাৰসকলৰ সৈতে কথা পাতি মুখ্যমন্ত্ৰী সোণোৱালে কয় যে এই দুৰ্যোগৰ সময়ত ৰাজ্যৰ চাহ বাগিচাত কাম কৰা শ্ৰমিক ৰাইজৰ স্বাস্থ্যৰ সুৰক্ষাৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰ দায়বদ্ধ। কেন্দ্ৰীয় চৰকাৰৰ নিৰ্দেশনা অনুসৰি ৫০ শতাংশ শ্ৰমিকৰ সৈতে বাগিচাসমূহত কাম আৰম্ভ কৰাৰ বাবে ৰাজ্য চৰকাৰে অনুমতি প্ৰদান কৰিছে। কিন্তু কৰ্মস্থলীত শ্ৰমিকসকলে যাতে সামাজিক দূৰত্বৰ নিয়ম সঠিকভাৱে বৰ্তাই ৰাখে সেয়া সুনিশ্চিত কৰিবই লাগিব আৰু এইক্ষেত্ৰত বিশেষভাৱে সক্ৰিয় ভূমিকা ল'বলৈ মুখ্যমন্ত্ৰীয়ে চৰ্দাৰসকলক আহ্বান জনায়। প্ৰশাসন আৰু বাগিচা কৰ্তৃপক্ষৰ সহযোগত কৰ্মস্থলীত প্ৰতিগৰাকী শ্ৰমিকেই যাতে মাস্ক পৰিধান কৰে সেয়া নিশ্চিত কৰিবলৈ আৰু শ্ৰমিকসকলৰ হাত ধোৱাৰ বাবে পৰ্যাপ্ত পানী আৰু চাবোনৰ ব্যৱস্থা কৰিবলৈও তেওঁ চৰ্দাৰসকলক আহ্বান জনায়। চাহ বাগিচাৰ দুখীয়া ৰাইজে যাতে সুচাৰুৰূপে চৰকাৰী সাহায্য তথা সা-সুবিধাসমূহ লাভ কৰে, তাৰ প্ৰতিও লক্ষ্য ৰাখিবলৈ তেওঁ চৰ্দাৰসকলক অনুৰোধ জনায়।

মুখ্যমন্ত্ৰীৰ সৈতে হোৱা কথা-বতৰাৰ সময়ত গাঁওবুঢ়া আৰু চৰ্দাৰসকলে নিজ নিজ গাঁও আৰু চাহ বাগিচাক লকডাউন সম্পূৰ্ণৰূপে মানি চলা, সামাজিক দূৰত্ব বৰ্তাই ৰখা আৰু চৰকাৰী অনুদান উপযুক্তৰূপত বিতৰণ সুনিশ্চিত কৰাৰ দিশত সৰ্বান্তকৰণেৰে আত্মনিয়োগ কৰিব বুলি মুখ্যমন্ত্ৰীক অৱগত কৰে।

আজিৰ এই ‘অ’ডিঅ’ কনফাৰেঞ্চ’ত ৰাজ্যখনৰ ৩,৫০০ গৰাকীৰো অধিক গাঁওবুঢ়া আৰু চাহ বাগিচাৰ চৰ্দাৰে অংশগ্ৰহণ কৰে।

**প্ৰঃকুঃবঃ / বীঃগঃ**
**২১/৪/২০২০**